# আৰ্থ- সামাজিক জীৱন আৰু শৈক্ষিক প্ৰস্থিতি যোৰহাট জিলাৰ তিতাবৰ খণ্ডৰ নিৰ্বাচিত গাওঁ সমূহৰ এক প্ৰকল্প ভিত্তিক অধ্যয়ন

## (A Study on the Socio Economic Life and Educational Status of the Selected Villages of Titabar Block under Jorhat District)

A project report submitted to the Department of Education, Nanda Nath Saikia College for the partial fulfillment of BA 6th Semester (Core) in Education


**Submitted by**

**Name: PODUM TANTI**

**Registration Number: S1921694**

**Roll Number: 30810042**

**Under the guidance of**

**HIMAKSHI BORAH**
**Assistant Professor**
**Department of Education**

**DEPARTMENT OF EDUCATION**
**NANDA NATH SAIKIA COLLEGE**


**YEAR 2022**

## ১.০ আৰম্ভণি ( Introduction ) :-

সাম্প্ৰতিক সময়ত সমাজ জীৱন তথা শৈক্ষিক দিশত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱ বাৰুকৈয়ে পৰিছে । যাৰ ফলত সমাজৰ অৰ্থনৈতিক আৰু শৈক্ষিক দিশটো যথেষ্ট সবল হোৱা পৰিলক্ষিত হৈছে আৰু বিকাশৰ দিশে অগ্ৰগতি হৈছে । গতিকে সমাজৰ প্ৰতিটো ক্ষেত্ৰত ইয়াৰ কেনে প্ৰভাৱ পৰিছে, কিমান দূৰ বিকাশ সম্ভৱপৰ হৈছে তাক জনাটো অত্যন্ত জৰুৰী ।

কোনো এটা বিষয় অধ্যয়ন কৰিবলৈ যোৱাৰ আগতে সেই বিষয় টোৰ সম্পৰ্কে আমাৰ সম্যক জ্ঞান থকাটো আৱশ্যক । সেইদৰে আমাৰ অধ্যয়নৰ বিষয়টো অৰ্থাৎ আৰ্থ সামাজিক জীৱন আৰু শৈক্ষিক প্ৰস্থিতি সম্পৰ্কে জানি লোৱাটো আৱশ্যক ।

সাধাৰণতে এখন সমাজ হৈছে বিভিন্ন মানুহৰ সমষ্টি । ব্যক্তিৰ অবিহনে সমাজ এখন গঠিত হ'ব নোৱাৰে । ব্যক্তিয়ে সমাজত জীৱন নিৰ্বাহৰ বাবে অৰ্থনৈতিক আৰু শৈক্ষিক এই দুয়োটা দিশে প্ৰয়োজন । যিহেতু মানুহৰ মৌলিক প্ৰয়োজনৰ বাবে অৰ্থ আৰু জ্ঞান অৰ্জনৰ বাবে শিক্ষাৰ প্ৰয়োজন । এখন সমাজৰ উন্নতি মূলতে অৰ্থনৈতিক আৰু সামাজিক দিশটো সবল হলেহ সমাজ উন্নতিৰ পথত আগবাঢ়িব ।

## ১.০১ আৰ্থ সামাজিক জীৱন (Socio economic life :-

আৰ্থ সামাজিক জীৱন হ'ল ৰাষ্ট্ৰ এখনৰ লগত সম্পৰ্কিত সামাজিক আৰু অৰ্থনৈতিক অৱস্থা । অৰ্থাৎ দেশ এখনৰ অৰ্থনৈতিক আৰু সামাজিক অৱস্থাৰ উন্নয়নৰ লগত আৰ্থ সামাজিক জীৱন সম্পৰ্কিত ।

আৰ্থ সামাজিক স্থিতিয়ে এজন ব্যক্তিৰ কৰ্মৰ এক অৰ্থনৈতিক আৰু সামাজতান্ত্ৰিক পৰিমাপক বুজায় । আন এক অৰ্থত আৰ্থ সামাজিক স্থিতি হৈছে এজন ব্যক্তিৰ উপাৰ্জন, শিক্ষা আদিৰ ওপৰত আধাৰিত এটা পৰিয়ালৰ অৰ্থনৈতিক আৰু সামাজিক স্থিতিৰ অভিজ্ঞতা আৰু জীৱিকা । সামাজিক অৰ্থনৈতিক স্থিতিক সাধাৰণতে তিনিটা শ্ৰেণীত ভাগ কৰা হয় - উচ্চ , মধ্য আৰু নিম্ন আৰ্থসামাজিক স্থিতি । পৰিয়াল বা কোনো ব্যক্তিক এই শ্ৰেণী বোৰৰ এটাত ৰাখিলে যিকোনো বা তিনিটা চলক যেনে উপাৰ্জন, শিক্ষা আৰু জীৱিকা সম্পৰ্কে মূল্যায়ন কৰিব পাৰি ।

## ১.০২ শৈক্ষিক প্ৰস্থিতি ( Educational status ) :-

এখন সমাজৰ উন্নয়নত শিক্ষাৰ গুৰুত্ব অপৰিসীম । শিক্ষাই মানুহৰ অজ্ঞানতা দূৰ কৰি নতুন নতুন জ্ঞানেৰে শিক্ষিত কৰি তোলে ।

কোনো এখন ঠাইৰ শৈক্ষিক প্ৰস্থিতি বুলি ক'লে সেই ঠাই খনৰ লোক সকল শিক্ষাৰ ক্ষেত্ৰত কেনেকুৱা, উন্নত নে অনুন্নত তাৰ ওপৰত নিৰ্ভৰ কৰে।

ঠাইখনৰ শিক্ষিত লোকৰ হাৰৰ ওপৰতো শৈক্ষিক প্ৰস্থিতি নিৰ্ভৰশীল।

ঠাইখনত থকা প্ৰাক-প্ৰাথমিক, প্ৰাথমিক, মাধ্যমিক, উচ্চতৰ মাধ্যমিক আদি শিক্ষানুষ্ঠান বোৰেও ঠাইখনৰ শৈক্ষিক প্ৰস্থিতিক চিহ্নিত কৰে। ঠাই খনৰ চাকৰিয়াল লোকৰ সংখ্যা, ব্যৱসায়ী , শিক্ষা বৃত্তিৰ লগত জড়িত লোকৰ সংখ্যা আদিৰ সম্পৰ্কে তথ্য সংগ্ৰহ কৰিলেও শৈক্ষিক প্ৰস্থিতিৰ বিষয়ে জানিব পাৰি। ঠাই খন বা অঞ্চলটো সম্পূৰ্ণ ভাৱে নিৰক্ষৰতাৰ পৰা মুক্ত নে তাৰ ওপৰত ভিত্তি কৰিয়েই সেই অঞ্চলটোৰ শৈক্ষিক প্ৰস্থিতিৰ বিষয়ে জানিব পাৰি ।

## ১.০৩ অধ্যয়নৰ ক্ষেত্ৰ (Study area) :-

তিতাবৰ হৈছে অসমৰ যোৰহাট জিলাৰ এটা মহকুমা ।যোৰহাটৰ পৰা ২০কি:মি আঁতৰত অৱস্থিত তিতাবৰ বিশেষকৈ ধান উৎপাদনৰ কাৰণে বিখ্যাত । এডিয়াৰ ভিতৰতে ডাঙৰ ধান গৱেষণা কেন্দ্ৰ ইয়াতেই অৱস্থিত। মহকুমা সদৰ ঠাই হৈছে তিতাবৰ। এই নগৰৰ লেখত লবলগীয়া প্ৰতিষ্ঠান সমূহ হ'ল - জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, বেচম মহাবিদ্যালয় আদি। এই নগৰৰ মাজেদি পূৱা-পশ্চিমালৈ ঐতিহাসিক ধোদৰ আলি পাৰ হৈ গৈছে । ধান খেতিৰ বাবে বিখ্যাত তিতাবৰৰ এখন বিখ্যাত পথাৰ হ'ল হামদৈ পথাৰ । প্ৰায় দুই হাজাৰ পুৰা মাটিৰে পৰিবিষ্টিত পথাৰখনত ভালেকেইখন গাঁৱৰ ৰাইজে খেতি কৰি আহিছে ।

১৯৫৯ চনত এখন ৰাজহ নগৰ হিচাপে তিতাবৰ নগৰখন গঢ় লৈ উঠিছিল । পূৰ্বতে তিতাবৰ যোৰহাট মহকুমাৰ অন্তৰ্গত আছিল । " তৰুণ গগৈ " মুখ্যমন্ত্ৰী হোৱাৰ পিছত তিতাবৰক যোৰহাট জিলাৰ এটা নতুন মহকুমা ৰূপে ঘোষণা কৰে ।

তিতাবৰৰ স্থানাংক হৈছে 26°36•N 94°12•E / 26.60°N 94.20°E আৰু গড় উচ্চতা ১৭২ মিটাৰ (৫৬৪ ফুট ) । ২০০১ চনৰ লোকপিয়লৰ তথ্য মতে নগৰ সমিতি অঞ্চলৰ জনসংখ্যা আছিল প্ৰায় ৭,৮৪০ জন ।

তিতাবৰৰ মাজেৰে পূৱা-পশ্চিমাকৈ ঐতিহাসিক ধোদৰ আলি পাৰ হৈ গৈছে । এই পথেৰে পূৱলৈ ডিব্ৰুগড় জিলাৰ নামৰূপৰ ওচৰৰ জয়পুৰলৈ আৰু পশ্চিমলৈ গোলাঘাট জিলাৰ কমাৰ গাঁৱলৈ যাব পাৰি । নগৰৰ সোঁমাজতে অসম ৰাজ্যিক পৰিবহণ নিগমৰ বাচ আস্থান আৰু তিতাবৰ ৰেল ষ্টেচন অৱস্থিত । ইয়াৰ আশে-পাশে বে-চৰকাৰী বাচ আৰু টেক্সী সেৱাৰ বাবে বিভিন্ন আস্থান সমূহ আছে । নিকটৱৰ্তী বিমান বন্দৰ ৰৌৰয়াৰ পৰা তিতাবৰলৈ দূৰত্ব প্ৰায় ১৬ কি:মি: ।

তিতাবৰৰ কেইখনমান শৈক্ষিক প্ৰতিষ্ঠানৰ নাম হৈছে আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰ, তিতাবৰ ।

মহাবিদ্যালয় : নন্দনাথ শইকীয়া মহাবিদ্যালয়, ডা° নবীন বৰদলৈ মহাবিদ্যালয় আৰু বৰহোলা মহাবিদ্যালয় ।

উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়: গোমতী দেৱী উচ্চ বালিকা বিদ্যালয়, জৱাহৰ নৱোদয় বিদ্যালয়, তিতাবৰ টাউন উচ্চ মাধ্যমিক বিদ্যালয়, বৰহোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়, শ্ৰীমন্ত শংকৰ বিদ্যাপীঠ, মিহিৰাম শইকীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় আদি ।

আমি আৰ্থ সামাজিক আৰু শৈক্ষিক প্ৰস্থিতি ক্ষেত্ৰত সাধাৰণ জাতিৰ লোক সকলৰ ওপৰত তথ্য সংগ্ৰহ কৰিবৰ বাবে যোৰহাট জিলাৰ তিতাবৰ মহকুমাৰ তিনিখন গাঁও বাছি

লৈছিলো গাঁও কেইখনৰ নাম হৈছে বেজচুক গাঁও , অধলকটীয়া গাওঁ আৰু গোসাই জান গাঁও । এই গাওঁ কেইখনৰ পশ্চিমে নগাপাহাৰ , দক্ষিণে ঐতিহাসিক ধোদৰ আলি , পূৱে মহকুমা ধিপতি কাৰ্য্যালয় আৰু উত্তৰে কৃষি গৱেষণা কেন্দ্ৰক সামৰি এই গাওঁ কেইখনৰ চাৰিসীমা গঠিত হৈছে । গাওঁ কেইখনৰ অধিকাংশ লোকেই কৃষিজীৱী । অধ্যয়নৰ দ্বাৰা বুজিব পাৰি যে গাঁও কেইখনৰ সকলো লোকৰ মাজত আন্তৰিক বুজাপৰা আছে । সকলো লোকে সহজ- সৰল । সকলোৱে মিলাপ্ৰীতিৰে বসবাস কৰে ।

## ১.০৪ অধ্যয়নৰ তাৎপৰ্য ( Signification of study area ) :-

তিতাবৰ মহকুমাৰ অন্তৰ্গত নিৰ্বাচিত তিনিখন গাঁওৰ ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে আৰ্থ সামাজিক জীৱন আৰু শৈক্ষিক প্ৰস্থিতি কেনেধৰণৰ সেই সম্পৰ্কে জানিব পাৰি । কোনো অঞ্চল এখনৰ বিষয়ে অধ্যয়ন কৰিবলৈ যাওঁতে অঞ্চল টোৰ বিষয়ে ক্ষুদ্ৰ তম জ্ঞান থকাটো নিতান্তই প্ৰয়োজন । অধ্যয়ন কৰিবলৈ যাওঁতে অনুসন্ধানকাৰীয়ে অঞ্চল টোৰ আৰ্থ সামাজিক ব্যৱস্থা আৰু শৈক্ষিক প্ৰস্থিতি সম্পৰ্কে জানিব লাগিব । এই ক্ষেত্ৰত অনুসন্ধানকাৰী অধ্যয়ন কৰিবলৈ লোৱা অঞ্চল টোৰ ভৌগোলিক উপাদান আৰু শৈক্ষিক উপাদানে বিশেষ ভাৱে সহায় কৰিব । অঞ্চল টোৰ শৈক্ষিক ক্ষেত্ৰত দেখা দিয়া সমস্যা সমূহৰ সমাধানত অধ্যয়নে বিশেষ ভাৱে সহায় কৰে । শিক্ষাৰ জৰিয়তে ব্যক্তিৰ আৰ্থসামাজিক দিশৰ বিকাশ সাধন কৰে । কোনো এটা অঞ্চলৰ অৰ্থনৈতিক দিশত দেখা দিয়া সমস্যা সমূহৰ সমাধানত অধ্যয়নে বিশেষ ভাৱে সহায় কৰে ।

## ১.০৫ অধ্যয়নৰ উদ্দেশ্য ( Objective of the study ) :-

এই প্ৰকল্প খন প্ৰস্তুত কৰাৰ মূল উদ্দেশ্য সমূহ হ'ল :-

১ . তিতাবৰ খণ্ডৰ নিৰ্বাচিত গাঁও সমূহৰ আৰ্থ সামাজিক পটভূমিৰ বিষয়ে অধ্যয়ন কৰা ।

২ . নিৰ্বাচিত গাওঁ সমূহৰ শৈক্ষিক অৱস্থা আৰু প্ৰস্থিতি সমূহৰ বিষয়ে অনুসন্ধান কৰা ।

৩ . তিতাবৰ খণ্ডৰ নিৰ্বাচিত গাঁও সমূহৰ পাৰিপাৰ্শ্বিক দিশ সম্পৰ্কে অধ্যয়ন কৰা ।

৪ . তিতাবৰ খণ্ডৰ নিৰ্বাচিত গাঁও সমূহৰ সামাজিক দিশ সম্পৰ্কে আলোচনা কৰা ।

৫ . নিৰ্বাচিত গাওঁ সমূহৰ অৰ্থনৈতিক স্থিতি সম্পৰ্কে অনুসন্ধান কৰা ।

## ১.০৬ অধ্যয়নৰ পৰিসৰৰ সীমাবদ্ধতা ( Limitations of study area ) :-

উক্ত অধ্যয়নটো যোৰহাট জিলাৰ তিতাবৰ মহকুমাৰ নিৰ্বাচিত তিনিখন গাঁও ক্ৰমে বেজচুক গাঁও , অধলকটীয়া গাওঁ আৰু গোসহি জান গাঁওত সীমাবদ্ধ কৰা হৈছে ।

## ২.০০ প্ৰণালীতত্ব (methodology)

### ২.০১ আৰম্ভণি (introduction):-

এই ক্ষেত্ৰ ভিত্তিক অধ্যয়নটো প্ৰস্তুত কৰাৰ ক্ষেত্ৰত অধ্যয়নটোত লাভ কৰা তথ্যসমূহৰ প্ৰক্ৰিয়া বৰ্ণনামূলক জৰীপ পদ্ধতিৰ ওপৰত প্ৰতিষ্ঠিত । এই ক্ষেত্ৰ ভিত্তিক অধ্যয়নটো আৱিষ্কাৰমূলক আৰু বৰ্ণনা মূলক।

ইয়াত অনুসন্ধানকাৰীয়ে বৰ্ণনামূলক অভিকল্প সমূহৰ যোগেদি যোৰহাট জিলাৰ তিতাবৰ মহকুমা খণ্ডৰ অন্তৰ্গত বেজচুক , অধলকটীয়া, গোসাঁই জান গাঁওৰ লোকসকলৰআৰ্থ সামাজিক জীৱন আৰু শৈক্ষিক প্ৰস্থিতি সম্পৰ্কে অধ্যয়ন কৰা হৈছে ।

### ২.০২জনসংখ্যা (population ):-

উক্ত অধ্যয়নটোৰ বাবে যোৰহাট জিলাৰ তিতাবৰ মহকুমাৰ তিনিখন গাঁও নিৰ্বাচিত কৰি লোৱা হৈছে । এই গাওঁ কেইখনৰ জনসংখ্যা হ 'ল বেজচুক গাঁওত ১৩২ ঘৰ, অধলকটীয়া গাওঁত ১৪০ ঘৰ, গোসাঁইজান গাঁওত ১৩০ঘৰ । এই তিনি খন গাওঁৰ মুঠ জনসংখ্যা হ'ল ৪০২ ঘৰ ।

### ২.০৩ নমুনা নিৰ্বাচন পদ্ধতি ( sampling method ):-

মানহেইমৰ (১৯৭৭) মতে, নমুনাহৈছে জনসংখ্যাৰ এনে একঅংশ যিটোক সমগ্ৰ জনসংখ্যাৰ ফলাফল নিৰ্ধাৰণ কৰিবলৈ ব্যৱহাৰ কৰা হয় । গতিকে নমুনাৰ দ্বাৰা সমগ্ৰ জনসংখ্যাৰ ফলাফল নিৰ্ধাৰণ কৰিব পৰা যায় ।গতিকে তথ্য সংগ্ৰহৰ বাবে নিৰ্দিষ্ট নমুনা নিৰ্বাচন কৰাটো অতি প্ৰয়োজনীয় ।

উক্তপ্ৰকল্প অধ্যয়নটোৰ বাবে যাদৃচ্ছিক নমুনা পদ্ধতি প্ৰয়োগকৰি নিৰ্বাচিত গাওঁ তিনিখনৰ পৰ ১০ ঘৰকৈ পৰিয়াল নিৰ্বাচিত কৰি লোৱা হৈছে । গতিকে এইপ্ৰকল্প অধ্যয়নটোৰ বাবেমুঠ বাছি লো নমুনা হৈছে ৩০ ঘৰ পৰিয়াল।

## ২.০৪তথ্যৰ উৎস(source of data :-)

তথ্যৰ উৎস দুটা ভাগত ভাগ কৰা হয় -

১.প্ৰাথমিক উৎস: এখন প্ৰশ্নসূচী প্ৰস্তুত কৰি ঘৰে ঘৰে গৈ সামগ্ৰীক ভাৱে সংগ্ৰহ কৰা প্ৰয়োজনীয় তথ্যপাতি সমূহেই হ 'ল প্ৰাথমিক উৎস । ই প্ৰথমবাৰৰ বাবে আহৰণ কৰা তথ্য । ইয়াত অনুসন্ধানকাৰীয়ে বেজচুক গাঁও, অথলকটীয়া গাওঁ, আৰু গোসহিজান গাঁওৰ ব্যক্তি সকলৰ সাক্ষাৎকাৰ পদ্ধতিৰে তেওঁলোকৰ লাগতীয়াল তথ্য সংগ্ৰহ কৰা হয়।

২.দ্বিতীয় উৎস :- যেতিয়া অনুসন্ধানকাৰীয়ে কোনো কামৰ বাবে সংগ্ৰহ কৰি থোৱা তথ্য দ্বিতীয়বাৰৰ বাবে অন্যকোনো উদ্দেশ্যত ব্যৱহাৰ কৰা হয় তাক দ্বিতীয় উৎস বোলা হয় । ইয়াৰ বাবে কিতাপ, মেপ তথা ইন্টাৰনেটৰ পৰা প্ৰয়োজনীয় তথ্যসমূহ সংগ্ৰহ কৰা হৈছে।

## ২.০৫ তথ্য সংগ্ৰহৰ আহিলা(tools to data collection ):-

উক্ত প্ৰকল্প অধ্যয়নটোৰ বাবেব্যৱহাৰ কৰা আহিলা সমূহহৈছে-

১. প্ৰশ্নসূচী :- প্ৰশ্নসূচী হ'ল বহুতো প্ৰশ্নৰসমাহাৰ। প্ৰশ্নসূচী খন নমুনা হিচাপে বাচনি কৰা ব্যক্তি আৰু প্ৰতিক্ৰিয়াকাৰী সকলৰ পৰা তথ্য সংগ্ৰহ কৰিবৰ বাবে ব্যৱহাৰ কৰা হয়। তথ্যসংগ্ৰহৰ কাৰণে ৩০ খন প্ৰশ্নসূচীলোৱা হৈছে।

২.সাক্ষাৎকাৰসূচী:- উক্ত প্ৰকল্প অধ্যয়নটোত বিভিন্ন তথ্য সমূহ লাভ কৰিবলৈ মূৰব্বী সকলৰ বাবে সাক্ষাৎকাৰ সূচী প্ৰস্তুতকৰি গাঁও খনৰ সবিশেষ তথ্য লাভকৰিবলৈ মূৰব্বী সকলৰ পৰা এই সূচীৰজৰিয়তে তথ্য লাভ কৰা হ'ল ।

## ২.০৬তথ্য বিশ্লেষণ ( analysis of data ) :-

তথ্য বিশ্লেষণ ক্ষেত্ৰ অধ্যয়নৰএক পৰ্য্যায় । তথ্য সংগ্ৰহৰ পাছত সংগৃহীত তথ্যসমূহৰ পদ্ধতিগতভাৱে বিশ্লেষণ কৰা হৈছে । তথ্য বোৰ বিশ্লেষণ কৰিবৰ বাবে তথ্য সমূহ শ্ৰেণীকৰণ আৰু তালিকাকৰণ কৰা হৈছে । সংগৃহীত তথ্য সমূহএই প্ৰতিবেদনত যুক্তিযুক্তভাৱে উপস্থাপন কৰা হৈছে । ইয়াৰ কাৰণে অনুসন্ধানকাৰীয়ে সূক্ষ্ম দৃষ্টিৰে তথ্য সংগ্ৰহকৰা হৈছে ।

**২.০৭ উদ্দেশ্য ভিত্তিত তথ্য বিশ্লেষণ ( Objective by data analysis ) :-**

উক্ত প্ৰকল্প অধ্যয়নটোৰ জৰিয়তে লাভ কৰা তথ্য সমূহ তলত উদ্দেশ্য ভিত্তিত বিশ্লেষণ হ'ল।

১. ভিতাবৰ খণ্ডৰ নিৰ্বাচিত গাঁও সমূহৰ আৰ্থ সামাজিক পটভূমিৰ বিষয়ে অধ্যয়ন কৰা।

**১. পৰিয়াল ( Family ) :-**

পৰিয়াল হৈছে সমাজৰ এটা সৰু গোট। পিতৃ -মাতৃ আৰু তেওঁলোকৰ সন্তান তথা আত্মীয় স্বজন সকলো মিলি পৰিয়াল গঠিত হয় ।

উক্ত প্ৰকল্প অধ্যয়নটোৰ বাবে নিৰ্বাচিত তিনিখন গাঁওৰ একক আৰু যৌথ পৰিয়ালৰ তালিকা প্ৰথন প্ৰস্তুত কৰা হ'ল –

**তালিকা নং :- ১**

| পৰিয়াল | সংখ্যা | শতকৰা |
|---|---|---|
| একক | ২৮ | ৯৩.৩% |
| যৌথ | ২ | ৬.৬ % |
| মুঠ | ৩০ | ১০০% |

তলত পাইচিত্ৰৰ সহায়ত দেখুওৱা হ'ল –




পাইচিত্ৰৰ সহায়ত জানিব পাৰি যে উক্ত গাঁও কেইখনৰ ৯৩.৩% লোকেই যৌথ পৰিয়াল আৰু ৬.৬% লোক একক পৰিয়াল।

Electricity)

## ২.পোহৰৰ উৎস (source of light):

বিদ্যুৎতৰ সুবিধা যি কোনো এটা অঞ্চলৰ বাবে অতি প্ৰয়োজনীয়। বৰ্তমান সময়ত পোহৰৰ অবিহনে কাম কৰাটো সম্ভৱ নহয়। বিজ্ঞানৰ উন্নত ফলাফলৰ অৱিহতে প্ৰতিটো অঞ্চলতে বিদ্যুৎ ব্যৱস্থা আছে।। নিৰ্বাচিত গাওঁ কেইখনৰ লোকসকলৰ পোহৰৰ উৎসৰ এখন তালিকা প্ৰস্তুত কৰা হ'ল:

তালিকা নং:৩

| পোহৰৰ ব্যৱস্থা | ঘৰৰ সংখ্যা | শতকৰা (%) |
|---|---|---|
| বিজুলী বাতি | ৩০ | ৩০% |
| সৌৰশক্তি | ০ | ০% |
| কেৰাচিন | ০ | ০% |

ওপৰৰ তালিকা খন পাইচিত্ৰৰ সহায়ত দেখুওৱা হ'ল:




ওপৰৰ দেখা গ'ল যে উক্ত গাওঁ কেইখনত প্ৰত্যেক ঘৰতেই বিদ্যুৎৰ ব্যৱস্থা আছে।

## ৩. বাসস্থানৰ অৱস্থা ( Types of habitation ) :-

home

যি ব্যৱস্থাই নিৰাপত্তা, আশ্ৰয় আৰু বিশ্ৰাম প্ৰদান কৰে সেই ব্যৱস্থাটোকে বাসস্থান বোলা হয় । প্ৰত্যেকৰ বাসস্থানৰ অৱস্থা বেলেগ বেলেগ হয়। নিৰ্বাচিত গাওঁ কেইখনৰ পকা -কেচাঁ দুয়োবিধ ঘৰেই দেখা পোৱা যায় ।

ইয়াৰ বিভিন্ন প্ৰকাৰৰ বাসস্থানৰ এখন তালিকা প্ৰস্তুত কৰা হ'ল–

**তালিকা নং- ৩**

| বাসস্থানৰ প্ৰকাৰ | সংখ্যা | শতকৰা |
|---|---|---|
| পকা | ১৪ | ৪৬.৬৬% |
| কেঁচা | ১৬ | ৫৩.৩৩% |

ওপৰৰ তালিকা খন তলত পাইচিত্ৰৰ সহায়ত দেখুওৱা হ'ল –




পাইচিত্ৰৰ সহায়ত জানিব পাৰি যে উক্ত গাঁও কেইখনৰ ৪৬.৬৬% লোকৰ পকা ঘৰ আৰু ৫৩.৩৩% লোকৰ কেঁচা ঘৰ ।

২. নিৰ্বাচিত গাওঁ সমূহৰ শৈক্ষিক অৱস্থা আৰু প্ৰস্থিতি সমূহৰ বিষয়ে অনুসন্ধান কৰা ।

**১. শিক্ষাগত অৰ্হতা :-** (Literacy Rate)

শিক্ষা হৈছে মানৱ জীৱনৰ এক গুৰুত্বপূৰ্ণ দিশ । আৰ্থসামাজিক দিশৰ মূলতেই হৈছে শিক্ষা । শিক্ষা অবিহনে কোনো ব্যক্তিয়ে সফল হ'ব নোৱাৰে ।

তলত গাঁও কেইখনৰ লোক সকলৰ শিক্ষাগত অৰ্হতাৰ তালিকা প্ৰস্তুত কৰা হ'ল –

**তালিকা নং- ৪**

| শিক্ষাগত অৰ্হতা | ব্যক্তিৰ সংখ্যা | শতকৰা |
|---|---|---|
| LP / MP | 10 | 33.3% |
| H.S.L.C | 6 | 20% |
| H.S | 9 | 30% |
| Graduate | 4 | 13.3% |
| M.A | 1 | 3.33% |
| Total | 30 | 100% |

ওপৰৰ তালিকা খন তলত পাইচিত্ৰৰ সহায়ত দেখুওৱা হ'ল –




দণ্ডচিত্ৰ
ওপৰৰ Column ৰ দ্বাৰা বুজিব পৰা যায় যে গাঁও কেইখনৰ লোক সকল শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট আগবঢ়ায়

।

## ২. বিদ্যালয়ৰ অৱস্থা :-

বিদ্যালয় এটি অনুষ্ঠান য'ত বিদ্যা আহৰণ কৰা হয় ।

তলত গাঁও কেইখনত থকা বিদ্যালয়ৰ তালিকা প্ৰস্তুত কৰা হ'ল -

### তালিকা নং- ৫

| বিদ্যালয় | সংখ্যা | শতকৰা |
|---|---|---|
| প্ৰাক-প্ৰাথমিক | ১ | ২০% |
| প্ৰাথমিক | ২ | ৪০% |
| মাধ্যমিক | ০ | ০০% |
| উচ্চতৰ মাধ্যমিক | ১ | ২০% |
| মুঠ | ৪ | ১০০% |

তালিকাখন তলত পাইচিত্ৰৰ সহায়ত দেখুওৱা হ'ল




ওপৰৰ পাইচিত্ৰৰ সহায়ত জানিব পাৰি যে উক্ত গাঁও কেইখনত বিদ্যালয়ৰ ব্যৱস্থা আছে ।

## ৩. তিতাবৰ খণ্ডৰ নিৰ্বাচিত গাঁও সমূহৰ পাৰিপাৰ্শ্বিক দিশ সম্পৰ্কে অধ্যয়ন কৰা ।

### ১.খোৱা পানীৰ উৎস ( Source of drinking water):

পানীৰ দ্বাৰা মানুহৰ বিভিন্ন প্ৰয়োজনীয়তা সমূহ পূৰ কৰিব পৰা যায়। আমি সদায় বিশুদ্ধ পানীহে খাব লাগে। অপৰিষ্কাৰ পানীয়ে আমাৰ দেহত নানা ধৰণৰ বেমাৰ আজাৰৰ সৃষ্টি কৰিব পাৰে।যেনে: ডায়েৰিয়া, মেলেৰিয়া, কলেৰা ইত্যাদি। নিৰ্বাচিত গাওঁ কেইখনৰ খোৱা পানীৰ উৎসৰ এখন তালিকা প্ৰস্তুত কৰা হ'ল-

তালিকা নং:৬

| পানীৰ ব্যৱস্থা | ঘৰৰ সংখ্যা | শতকৰা (%) |
|---|---|---|
| দমকল | ৪ | ১৯% |
| পুখুৰী | ১০ | ৪৭% |
| চৰকাৰী আঁচনি | ৫ | ২৩% |
| কুঁৱা | ২ | ৯% |
| মুঠ | ২১ | ১০০% |

ওপৰৰ তালিকা খন পাইচিত্ৰৰ সহায়ত দেখুওৱা হ'ল:




ওপৰৰ তালিকাৰ পৰা দেখা যায় যে গাঁও খনত পুখুৰীৰ পানী ব্যৱহাৰ কৰা লোকৰ সংখ্যা সৰহ ।

**৩.গা-ধোৱা ঘৰৰ ব্যৱস্থা:** (BATHROOM FACILITY)

উক্ত প্ৰকল্প অধ্যয়নটোৰ বাবে নিৰ্বাচন কৰা গাওঁ কেইখনৰ প্ৰত্যেক ঘৰতে গা ধোৱা ঘৰৰ ব্যৱস্থা দেখিবলৈ পোৱা গ'ল। ইয়াৰে কিছু সংখ্যক লোকৰ ঘৰত পকী গা ধোৱা ঘৰৰ সুবিধা আছে। ইয়াৰ পৰিবৰ্তে গাওঁ কেইখনৰ কিছু সংখ্যক লোকৰ ঘৰত কেঁচা গা ধোৱা ঘৰৰ সুবিধা দেখিবলৈ পোৱা যায়।

**৪.জীৱ-জন্তুৰ ব্যৱস্থা:** (ANIMAL HUSBANDRY)

উক্ত প্ৰকল্প অধ্যয়নটোৰ বাবে নিৰ্বাচন কৰা গাওঁ কেইখনৰ কিছু সংখ্যক লোকৰ ঘৰত পশুপালন কৰা দেখিবলৈ পোৱা যায়। পশুপালন যেনে: গৰু, ছাগলী, হাহ-কুকুৰা ইত্যাদি। গাওঁ কেইখনৰ লোকসকলৰ ঘৰত পশুপালনৰ বাবে গোহালি, গড়ালৰ উপযুক্ত ব্যৱস্থা আছে। গাওঁ কেইখনৰ প্ৰায় সংখ্যক মহিলা পশুপালনৰ লগত জড়িত থকা দেখিবলৈ পোৱা গ'ল ।

**৫. জাবৰ পেলোৱা ব্যৱস্থা:-**

নিৰ্বাচিত গাওঁ সমূহৰ সকলো লোকেই এক নিৰ্দিষ্ট স্থানত জাবৰ সমূহ পেলোৱাৰ ব্যৱস্থা আছে ।

**৬. শৌচাগাৰৰ ব্যৱস্থা :-** (TOILET FACILITY)

নিৰ্বাচিত গাওঁ কেইখনৰ সকলো লোকৰ ঘৰতেই শৌচাগাৰৰ ব্যৱস্থা আছে । প্ৰায় ২২% ঘৰত চৰকাৰী আঁচনিৰ জৰিয়তে লাভ কৰা শৌচালয় আছে আৰু ১০% লোকে নিজাভাৱে শৌচালয় বনাই লৈছে ।

**৪) তিতাবৰ খণ্ডৰ নিৰ্বাচিত গাঁও সমূহৰ সামাজিক দিশ সম্পৰ্কে অধ্যয়ন কৰা।**

**ক) শাৰীৰিক সুস্থতা:** (PHYSICAL HEALTH)

প্ৰকল্প অধ্যয়নটোৰ বাবে নিৰ্বাচন কৰি লোৱা গাওঁ কেইখনৰ প্ৰায় সংখ্যক প্ৰাপ্তবয়স্ক লোক শাৰীৰিক ভাৱে ৰোগত ভুগি থকা দেখিবলৈ পোৱা গ'ল। উক্ত গাওঁ কেইখনৰ শাৰীৰিক সুস্থতাৰ এখন তালিকা প্ৰস্তুত কৰা হ'ল:

তালিকা নং:৯

| শাৰীৰিক সুস্থতা | সংখ্যা | শতকৰা (%) |
|---|---|---|
| সুস্থ | ৯৬ | ৮৮% |
| উচ্চ ৰক্তচাপ | ৭ | ৬.৪২% |
| বিষ | ৬ | ৫.৫০% |
| মধুমেহ | ৬ | ৫.৫০% |
| অন্যান্য | ২ | ৬.৬% |

ওপৰৰ তালিকা খন তলত পাইচিত্ৰৰ সহায়ত দেখুওৱা হ'ল-




গতিকে দেখা গ'ল যে গাওঁ কেইখনৰ লোকসকল বিষ,উচ্চ ৰক্তচাপ ইত্যাদি ৰোগত ভুগি আছে।

## খ. ধৰ্ম (Religion):

ধৰ্ম হৈছে এনে এক ব্যৱস্থা যিটো তাৰ ভংগীৰ যোগেদি একোটা সম্প্ৰদায়ৰ লোকক একত্ৰিত কৰি ৰাখে। এখন দেশত সাধাৰণতে বিভিন্ন ধ লোকে বসবাস কৰে। আমাৰ দেশ ভাৰতবৰ্ষ এখন ধৰ্ম নিৰপেক্ষ দেশ।তথ্য সংগ্ৰহৰ বাবে নিৰ্বাচন কৰা গাওঁ কেইখনৰ সকলো লোকেই হিন্দু ধৰ্মাৱলম্বী লোক। গাওঁ কেইখনৰ লোকসকলৰ ধৰ্মৰ এখন তালিকা প্ৰস্তুত কৰা হ'ল:

তালিকা নং:১০

| ধৰ্ম | সংখ্যা | শতকৰা (%) |
|---|---|---|
| হিন্দু | ৬০ | ১০০% |
| খ্ৰীষ্টান | ০ | ০% |

ওপৰৰ তালিকা খন তলত পাইচিত্ৰৰ সহায়ত দেখুওৱা হ'ল




গতিকে দেখা গ'ল যে উক্ত গাওঁ কেইখনৰ সকলো লোকেই হিন্দু ধৰ্মাৱলম্বীৰ লোক ।

## ৫) গাওঁ সমূহৰ অৰ্থনৈতিক স্থিতি সম্পৰ্কে অনুসন্ধান কৰা।

**ক) চৰকাৰী আঁচনি:** (Govt. Schemes)

প্ৰকল্প অধ্যয়নটোৰ বাবে নিৰ্বাচন কৰি লোৱা গাওঁ কেইখনৰ প্ৰায় সংখ্যক লোকেই চৰকাৰী আঁচনিৰ সুবিধা লাভ কৰিছে। চৰকাৰী আঁচনি সমূহ হ'ল: অৰুণোদয় আঁচনি,খাদ্য সুৰক্ষা, অনাময় শৌচালয় আঁচনি, কৃষি বিকাশ আঁচনি ইত্যাদি। নিৰ্বাচিত গাওঁ কেইখনৰ লোকসকলৰ চৰকাৰী আঁচনিৰ এখন তালিকা প্ৰস্তুত কৰা হ'ল:

তালিকা নং ১১

| চৰকাৰী আঁচনি | সংখ্যা | শতকৰা (%) |
|---|---|---|
| ঘৰ | ১০ | ৩.৩% |
| শৌচাগাৰ | ১০ | ৩.৩% |
| ঋণ | ৫ | ১৬% |
| অন্যান্য | ৫ | ১৬% |

ওপৰৰ তালিকা খন তলত পাইচিত্ৰৰ সহায়ত দেখুওৱা হ'ল



**থ. সঞ্চয়ৰ ব্যৱস্থা** (Savings System)

সঞ্চয় হৈছে এনে এক ব্যৱস্থা যাৰ জৰিয়তে মানুহে উপাৰ্জনৰ টকা সমূহ বেংক, ডাকঘৰ, ব্যক্তিগত প্ৰতিষ্ঠান ইত্যাদিত জমা কৰিব পাৰে। নিৰ্বাচিত গাওঁ কেইখনৰ লোকসকলে বিভিন্ন প্ৰকাৰে নিজৰ উপাৰ্জনৰ টকা সমূহ সঞ্চয় ৰাখে। সেই সঞ্চয়ৰ এখন তালিকা প্ৰস্তুত কৰা হ'ল:

তালিকা নং ১২

| সঞ্চয়ৰ ব্যৱস্থা | সংখ্যা | শতকৰা (%) |
|---|---|---|
| বেংক | ২৫ | ৮৩% |
| ডাকঘৰ | ৪ | ১৩.৩% |
| ব্যক্তিগত প্ৰতিষ্ঠান | ০ | ০% |
| নগদ জমা | ১ | ৩.৩% |
| অন্যান্য | ০ | ০% |

ওপৰৰ তালিকা খন পাইচিত্ৰৰ সহায়ত দেখুওৱা হ'ল:




গতিকে দেখা গ'ল যে গাওঁ কেইখনৰ ৮৩% লোকে বেংকত টকা জমা ৰাখে।

## গ) বৃত্তি ( Occupation ):-

বৃত্তি হৈছে পৰিয়ালৰ আৰ্থিক দিশৰ উন্নয়নৰ এক উৎস । মানুহে জীৱিকা উপাৰ্জনৰ বাবে যি কাম কৰে তাকে বৃত্তি বোলে ।

উক্ত প্ৰকল্প অধ্যয়নটোৰ বাবে নিৰ্বাচিত তিনিখন গাঁওৰ লোকসকলৰ নিয়োজিত হৈ থকা বৃত্তিৰ এখন তালিকা প্ৰস্তুত কৰা হ'ল -

**তালিকা নং - ২**

| বৃত্তি | লোকৰ সংখ্যা | শতকৰা |
|---|---|---|
| কৃষি | ৩৬ | ৩৫.৬ % |
| পশু পালন | ১৫ | ১৪.৮% |
| চৰকাৰী | ১৪ | ৪৬.৬% |
| বেচৰকাৰী দৈনন্দিন | ৪ | ৩.৯% |
| অন্যান্য | ৩২ | ১০৬.৬% |
| মুঠ , | ১০১ | ১০০ % |

তলত পাইচিত্ৰৰ সহায়ত দেখুওৱা হ'ল -




পাইচিত্ৰৰ সহায়ত দেখা যায় যে উক্ত গাঁও কেইখনৰ ৩৫.৬ % লোকেই কৃষিজীৱী । আৰু ৩.৯% লোক বেচৰকাৰী দৈনন্দিন কামৰ লগত জড়িত ।

## ৩.০০ অধ্যয়নৰ দ্বাৰা প্ৰাপ্ত প্ৰধান তথ্য সমূহঃ (Major Findings of the study)

উক্ত প্ৰকল্পটো অধ্যয়নৰ বাবে যোৰহাট জিলাৰ তিতাবৰ খণ্ডৰ তিনিখন গাওঁ নিৰ্বাচিত কৰি লোৱা হৈছে। শ্ৰীযুত পূৰ্ণধৰ শইকীয়াৰ আৰু মোহন শইকীয়াৰ গাঁওবুঢ়াৰ তিনিখন গাওঁ ক্ৰমে বেজচুক গাওঁ, গোঁসাই জান গাওঁ আৰু অথলকটীয়া গাওঁ। অনুসন্ধানকাৰীয়ে উক্ত গাওঁ কেইখনৰ অধ্যয়নৰ জৰিয়তে গাওঁ কেইখনৰ আৰ্থসামাজিক জীৱন আৰু শৈক্ষিক প্ৰস্থিতিৰ বিষয়ে জানিব পৰা গৈছে। গাওঁ কেইখনৰ শৈক্ষিক দিশটো আৰু অৰ্থনৈতিক দিশটো অধ্যয়ন কৰিলে দেখা যায় যে গাঁৱৰ কিছু সংখ্যক লোক শিক্ষিত আৰু প্ৰায় সংখ্যক লোকেই কৃষি লগত জড়িত, কিছু লোক ব্যৱসায়ৰ লগত জড়িত হোৱাৰ লগতে কম সংখ্যক লোক চাকৰিয়াল দেখা যায়। কিন্তু গাওঁ কেইখনৰ বৰ্তমান উঠি অহা অধিকাংশ শিক্ষাৰ্থীয়ে উচ্চ শিক্ষাৰে শিক্ষিত। অৱশ্যে গাওঁ কেইখনত পুৰণি বৃদ্ধ ২/১ নিৰক্ষৰো পোৱা গ'ল। গাওঁ কেইখনত ল'ৰা ছোৱালীৰ সুবিধাৰ্থে প্ৰতি ১/২ কিলোমিটাৰ অন্তৰে অন্তৰে প্ৰাথমিক বিদ্যালয় আছে। তদুপৰি প্ৰাক- প্ৰাথমিক আৰু অংগনবাদীও আছে। উক্ত তিনিখন গাৱঁত নামঘৰৰ লগতে ৰাজহুৱা প্ৰেক্ষাগৃহও থকা দেখা গ'ল। গাওঁ কেইখন ধৰ্মীয় আৰু সাংস্কৃতিক দিশটো যথেষ্ট আগবঢ়া। নামঘৰত দিহানাম, নাম-প্ৰসংগ, ভাওনা হোৱা দেখা যায়

অনুসন্ধানকাৰীৰ উক্ত গাওঁ কেইখনৰ অধ্যয়নৰ জৰিয়তে জানিব পৰা গৈছে যে গাওঁ কেইখন চৰকাৰী আঁচনিৰ পৰাও বঞ্চিত হোৱা নাই। গাওঁ কেইখনৰ কিছু সংখ্যকে ঘৰ, শৌচাগাৰ, পানীৰ সুবিধাও লাভ কৰিছে। তদুপৰি গাওঁ কেইখনৰ মহিলাই পশুপালন কৰাৰ লগতে ২/৩ গৰাকী মহিলাই চৰকাৰী- বে-চৰকাৰী অনুষ্ঠানত কৰ্ম কৰি থকা দেখা যায়। গতিকে এই দিনবোৰ চালি-জাৰি চালে দেখা যায় অৰ্থনৈতিক দিশত গাওঁ কেইখন যথেষ্ট আগবঢ়া।

উক্ত গাওঁ কেইখনৰ প্ৰত্যেক ঘৰ মানুহে হিন্দু ধৰ্মাৱলম্বী লোক আৰু প্ৰায় সংখ্যক লোক আহোম,কছাৰী জাতিৰ দেখিবলৈ পোৱা যায়।

## ৪.০০পুনঃ অধ্যয়নৰ পৰামৰ্শ (Suggestion of Re-Study):

উক্ত প্ৰকল্পটো অধ্যয়ন কৰি অনুসন্ধানকাৰীজনে গাওঁ কেইখনৰ অৰ্থনৈতিক, শৈক্ষিক আৰু সামাজিক দিশটোৰ বিষয়ে জানিবৰ বাবে সক্ষম হৈছে।দেখিবলৈ পোৱা মতে গাওঁ কেইখনৰ অৰ্থনৈতিক ভাবে স্বাৱলম্বী আৰু আত্মনিৰ্ভৰশীল হ'বৰ বাবে বহু সংখ্যক মহিলাই পশুপালন,শিপিনী,চাহবাগিচাত আৰু অন্যান্য কামত নিয়োজিত হোৱা দেখা গ'ল। শিক্ষাৰ দিশৰ পৰা গাওঁ কেইখনত যাতায়াতৰসমস্যা আছে যদিও উচ্চ শিক্ষিত হ'বৰ বাবে বহু লোকে উৎসাহউদ্দীপনাজগাই তোলাৰ লগতে বিভিন্ন সৰু ডাঙৰপ্ৰতিষ্ঠান সমূহ গঢ় দি শিক্ষাৰ বাবে নাগতিয়াল তথ্য প্ৰদান কৰিছে।অধ্যয়নৰ বাবে গাওঁ কেইখনত দেখা পোৱা কিছুমান সমস্যা আৰু সমাধানৰ হেতু কিছুমানপদক্ষেপ গ্ৰহণ কৰিব লাগিব আৰু উপযুক্ত পৰামৰ্শৰ ব্যৱস্থা ল'ব লাগিব। সেই সমূহ তলত আলোচনা কৰা হ'ল –

১) গাঁৱৰ নিবনুৱা সকলৰ সংস্থাপন ব্যৱস্থাৰ বাবে সৰু সুৰা উদ্যোগ তথা অন্যান্য কৃষিজীৱিকৰ্মতউৎসাহিতহ'বৰ বাবে অনুপ্ৰেৰণাযোগোৱাৰপ্ৰয়োজন।

২) উচ্চ শিক্ষাৰ বাবে ল'ৰাছোৱালীবোৰকবিদ্যালয়তআকৰ্ষণীয়পৰিৱেশৰ সৃষ্টি কৰি যাতায়াতৰ বাবে পথ সুচল কৰাৰ ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজন।

৩) গাওঁ কেইখনত সামাজিক দিশৰ পৰা আগবঢ়া যদিও লোকসকলৰ সৃজনীপ্ৰতিভাবিকাশৰ বাবে প্ৰকোষ্ঠনকৈ মঞ্চ গঢ় দি তোলা প্ৰয়োজন।

৪) পাৰিপাৰ্শ্বিক অৱস্থা সম্পৰ্কে অধ্যয়ন কৰি পোৱা গৈছিল যে তেওঁলোকে যিবোৰ জাবৰপেলায় সেই বিলাকেসাৰ প্ৰস্তুত কৰে।সেয়ে এই বিলাক বিক্ৰীকৰিওতেওঁলোকে জীৱিকাৰ পথ মুকলি কৰি ল'ব পৰাকৈ সজাগ কৰি তোলাৰ প্ৰয়োজন।

পতিকে গাওঁ কেইখনত উপৰোক্ত বিষয় সমূহতপুনঃ অধ্যয়ন কৰিব পৰা থল আছে।

## সামৰণি(Conclusion)

সামৰণিত ইয়াকে উল্লেখ কৰিব পাৰি যে গাওঁ কেইখনৰ জনসংখ্যা গাঠনিৰ ওপৰত অধ্যয়ন ... যে গাওঁ কেইখনৰ পুৰুষ মহিলাৰ সংখ্যা আৰু পুৰুষ মহিলাৰ অনুপাত সম্বন্ধে জানিব পৰা ...

গাওঁখনৰ মুঠ জনসংখ্যা ৪০২ । গাওঁ কেইখনত ১৮ৰ পৰা ৬০বছৰ বয়সৰ জনসংখ্যাৰ ... আটাইতকৈ বেছি। গাওঁ কেইখনত সকলো লোকেই হিন্দু ধৰ্মাৱলম্বী লোক। লগতে গাওঁ ... খনৰ মানুহবোৰৰ উপাৰ্জনৰ পথো বেলেগ বেলেগ। যেনে: ব্যৱসায়, শ্ৰমিক, খেতি আৰু ... গাওঁ কেইখনৰ নিম্ন মধ্যবিত্ত মানুহ আটাইতকৈ বেছি থকা দেখা গ'ল।

গাওঁ কেইখনৰ সমীক্ষাত পোৱা গ'ল যে শিক্ষাৰ ক্ষেত্ৰত গাওঁখনৰ লোক সকল আৰু আগ ... বঢ়াটো দৰকাৰ। গাঁৱত যিসকল নিৰক্ষৰ লোক তেওঁলোকক তেওঁলোকৰ ল'ৰা-ছোৱালীৰ ... বাবে আগ্ৰহী কৰি তুলিবৰ বাবে পৰামৰ্শ দিব লাগে। গাঁৱত যিসকল লোক শিক্ষিত ... হিচাপে আছে তেওঁলোকক স্বাৱলম্বী কৰাৰ বাবে ক্ষুদ্ৰ উদ্যোগ খোলাৰ ব্যৱস্থা কৰিব ...

খোৱা পানীৰ সমস্যাও গুৰুত্বপূৰ্ণ ভাৱে মন কৰিবলগীয়া। গাওঁ কেইখনৰ কিছু সংখ্যক ... কুঁৱা, পুখুৰী আদিৰ পানী ব্যৱহাৰ কৰে। কিছু সংখ্যক লোকে চৰকাৰী আঁচনি লাভ কৰা ... গ'ল।

এই অধ্যয়নত সময়ৰ অভাৱৰ বাবে সৰহ সংখ্যক ঘৰৰ মানুহৰ পৰা তথ্য সংগ্ৰহ কৰা ... নহ'ল। সেইবাবে কেৱল তিনিখন গাওঁৰ পৰা প্ৰথন গাঁৱত ১০ঘৰকৈ মানুহৰ তথ্য সংগ্ৰহ ... হৈছিল। যিহেতু অধ্যয়নৰ বাবে গোটেই কেইঘৰ মানুহ সামৰি লোৱা নাই গতিকে অধ্যয়নৰ ... তথ্য সমূহ গোটেই গাওঁ কেইখনৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'বও পাৰে।

—x—

# PHOTOGRAPH







